

৭.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ পৰিবেশত থকা যিকোনো উপাদানৰ (বায়ু, জল, ভূমি) ভৌতিক, ৰাসায়নিক বা জৈৱিকভাৱে হোৱা অনাকাংক্ষিত পৰিৱর্তনেই হ'ল পাৰিপার্শ্বিক প্রদূষণ যিয়ে জীৱন তথা সম্পত্তিৰ ক্ষেত্রত ক্ষতিকাৰক প্রভাৱ পেলায়।

২ নং প্রশ্নৰ উত্তৰ ঃ বিভিন্ন প্রকাৰৰ পাৰিপার্শ্বিক প্রদূষণ হ'ল— বায়ু প্রদূষণ, জল প্রদূষণ, ভূমি প্রদূষণ, গোটা বর্জিত সামগ্রীৰ প্রদূষণ, শব্দ প্রদূষণ আৰু তেজস্ক্রিয় প্রদূষণ।

৩ নং প্রশ্নৰ উত্তৰ ঃ বায়ু প্রদূষণক দুটা দিশৰ ওপৰত ভিত্তি কৰি ভাগ কৰা হৈছে। সেয়া হ'ল—

- প্রদূষকৰ বিভিন্ন প্রকাৰৰ ভিত্তিত।
- প্রদূষকৰ বিভিন্ন উৎসৰ ভিত্তিত।

প্রদূষকৰ বিভিন্ন প্রকাৰৰ ভিত্তিত বায়ু প্রদূষণক দুটা উপভাগত ভগাব পাৰি এনেদৰে—

- গেছীয় প্রদূষণ।
- কণাযুক্ত বায়ু প্রদূষণ।

আনহাতে প্রদূষকৰ বিভিন্ন উৎসৰ ভিত্তিত বায়ু প্রদূষণক চাৰিটা উপভাগত ভগাব পাৰি এনেদৰে—

- স্বচালিত বাহনৰ বায়ু প্রদূষণ।
- ঔদ্যোগিক বায়ু প্রদূষণ।
- তাপ বিদ্যুৎ প্রকল্পৰ প্রদূষণ।
- পাৰমাণৱিক প্রদূষণ।

৪ নং প্রশ্নৰ উত্তৰ ঃ ভূমি প্রদূষণৰ দুটা কাৰণ হ'ল—

- **ঔদ্যোগিক কার্যকলাপ ঃ** প্রায় সংখ্যক উদ্যোগেই পৃথিৱীৰ পৰা আহৰিত খনিজ পদার্থৰ ওপৰত নির্ভৰশীল। ফলত ঔদ্যোগিক বর্জিত সামগ্রীখিনি ধীৰ গতিৰে বহু সময় ধৰি ভূপৃষ্ঠত মিহলি হয় আৰু ভূমি ব্যৱহাৰৰ অনুপযোগী হৈ পৰে।
- **এচিড ৰৰষুণ ঃ** প্রদূষক মিশ্রিত বায়ু ৰৰষুণৰ সৈতে মিহলি হৈ ভূমিত পৰিলে এচিড ৰৰষুণ হয়। এনে প্রদূষিত পানীয়ে ভূমিত থকা কিছুমান গুৰুত্বপূর্ণ তত্ব উটুৱাই নিয়ে। যাৰ ফলত ভূমিৰ গঠন প্রক্রিয়াৰ পৰিৱর্তন হয়।

৫ নং প্রশ্নৰ উত্তৰ ঃ গোটা বর্জিত সামগ্রীৰ বিভিন্ন উৎস হ'ল—

- **গৃহৰ পেলনীয়া সামগ্রী ঃ** মানুহে গৃহ কার্যত ব্যৱহাৰ কৰাৰ পিছত ওলোৱা জাৱৰ জোথৰ, ছাই আদি।
- **ঔদ্যোগিক পেলনীয়া সামগ্রী ঃ** এনে পেলনীয়া সামগ্রী সাধাৰণতে ঔদ্যোগিক

কাম-কাজ— নিৰ্মাণ আৰু ধ্বংসৰ পেলনীয়া সামগ্ৰী, যন্ত্ৰপাতি তথা সা-সৰঞ্জামৰ পেলনীয়া, খননৰ পেলনীয়া সামগ্ৰীৰ পৰা উৎপন্ন হয়।

- **কৃষিজাত পেলনীয়া সামগ্ৰী ঃ** কৃষিজাত পেলনীয়া সামগ্ৰীৰ ভিতৰত কৃষিজাত অৱশিষ্ট, হাঁহ-কুকুৰা, দুগ্ধজাত সামগ্ৰী আদি। তদুপৰি কীটনাশক দ্ৰব্যৰ পেকেট, ৰাসায়নিক সাৰৰ পেকেট, ভূমিৰ পৰিপোষক আদি আধুনিক কৃষিকাৰ্যত ব্যৱহৃত হয় যিয়ে প্ৰদূষণ সৃষ্টি কৰে।
- **বাণিজ্যিক পেলনীয়া সামগ্ৰী ঃ** ৰাজহুৱা স্থান যেনে— কাৰ্যালয়, বজাৰ, ৰেষ্টুৰেণ্ট,ৰাস্তা-ঘাট আদিৰ পৰা বাণিজ্যিক পেলনীয়া সামগ্ৰী উৎপন্ন হয়। ইয়াৰ ভিতৰত বিল্ডিঙৰ পেলনীয়া সামগ্ৰী, আৱৰ্জনা, বিপদশংকুল জাবৰ জোথৰ, ছাঁই আদি।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ৰেডিঅ' সক্ৰিয় প্ৰদূষণ তলত দিয়া ধৰণে নিয়ন্ত্ৰণ কৰিব পাৰি—

- মানৱ সৃষ্ট ৰেডিঅ' সক্ৰিয় প্ৰদূষণে উৎসতেই গুৰুত্ব সহকাৰে পৰীক্ষণ কৰিব লাগে।
- দুৰ্ঘটনাক্ৰমে নিসৰণ হোৱা বন্ধ কৰিবলৈ পা�ৰমাণৱিক বিকিৰণ নিয়ন্ত্ৰণ কৰিব লাগে।
- পাৰমাণৱিক পৰীক্ষণ নিষিদ্ধ কৰিব লাগে।



৭.৮ আৰ্হি প্ৰশ্ন

(ক) অতি চুটি প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ পাৰিপাৰ্শ্বিক প্ৰদূষণ মানে কি?

প্ৰশ্ন ২ ঃ বায়ু প্ৰদূষণ কি?

প্ৰশ্ন ৩ ঃ শব্দ প্ৰদূষণৰ দুটা কাৰণ লিখক।

প্ৰশ্ন ৪ ঃ দূষিত পেলনীয়া সামগ্ৰী মানে কি?

(খ) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ তেজস্ক্ৰিয় প্ৰদূষণৰ বিভিন্ন প্ৰকাৰ সম্পৰ্কে লিখক।

প্ৰশ্ন ২ ঃ ভূমি প্ৰদূষণৰ মুখ্য উৎস কি কি?

প্ৰশ্ন ৩ ঃ মানৱৰ ক্ষেত্ৰত শব্দ প্ৰদূষণৰ প্ৰভাৱ সম্পৰ্কে লিখক।

প্ৰশ্ন ৪ ঃ জল প্ৰদূষণৰ উৎস কি কি?

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ বায়ু প্ৰদূষণৰ ক্ষতিকাৰক প্ৰভাৱ সম্পৰ্কে এটি টোকা লিখক। বায়ু প্ৰদূষণ নিয়ন্ত্ৰণৰ বিভিন্ন উপায় সম্পৰ্কে লিখক।

প্ৰশ্ন ২ ঃ গোটা পেলনীয়া সামগ্ৰীৰ ক্ষতিকাৰক প্ৰভাৱ কি কি? গোটা পেলনীয়া সামগ্ৰী কিদৰে নিয়ন্ত্ৰণ কৰিব পাৰি?

প্ৰশ্ন ৩ ঃ আপোনাৰ অঞ্চলত কেনেধৰণৰ পাৰিপাৰ্শ্বিক প্ৰদূষণ দেখিবলৈ পোৱা যায়? আপোনাৰ অঞ্চলত হোৱা প্ৰদূষণৰ কাৰণবোৰ চিনাক্ত কৰক আৰু ইয়াৰ প্ৰতিৰোধৰ উপায়ৰ বিষয়ে লিখক।

*** ***** ***